এশজনৰ ভিতৰত ৮০জন বিজেপি হ'লে বিসম্বাদ হ'বই ঃ শিলাদিত্য

অগ্ৰদূত বাৰ্তা

হোজাই, ৮ মে' ঃ 'সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমৰ প্ৰতিটো সমষ্টিত বিজেপিৰ উত্থান ঘটিছে। বৰ্তমানে বিভিন্ন দল বিশেষকৈ কংগ্ৰেছ ত্যাগ কৰি অধিকাংশ নেতা-কৰ্মী বিজেপিত যোগদান কৰিছে। দলত নেতা-কৰ্মীৰ সংখ্যাও অধিক হৈছে। ৰাজ্যৰ এশ নেতা আৰু কৰ্মীৰ মাজত যদি ৮০জনেই বিজেপিৰ হয় তেন্তে দলত বিসম্বাদ হ'বই।' এই মন্তব্য হোজাইৰ প্ৰাক্তন বিধায়ক শিলাদিত্য দেৱৰ। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ আৰু উপ-মেয়ৰৰ নাম ঘোষণাৰ পাছত বিজেপিত যি বিসম্বাদৰ উকমুকনি দেখা দিছে সেই সন্দৰ্ভত হোজাইৰ প্ৰাক্তন বিধায়ক শিলাদিত্যক সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত এনে মন্তব্য কৰে। তেওঁ কয়, 'যিকোনো দলৰ এটা নিৰ্দিষ্ট সীমা থকা উচিত বুলি মই ভাবো। সীমা অতিক্ৰম আৰু নিয়ম-নীতি, দলৰ প্ৰতি আনুগত্য, দলৰ নীতি-নিৰ্দেশনা মানি চলা কৰ্মী আৰু ব্যক্তিয়েই দলৰ কৰ্মী আৰু নেতা হিচাপে অন্তৰ্ভুক্তি হ'ব লাগে। সেয়া নথকা বাবেই নিজৰ স্বাৰ্থ আৰু ইচ্ছা পূৰণ নহ'লেই ক্ষোভত দলৰ বিৰুদ্ধে বিদ্ৰোহ কৰি দল ত্যাগ কৰাৰ এটা হঠকাৰী সিদ্ধান্ত।' মেয়ৰ পদৰ পৰা বঞ্চিত ক্ষোভত দল ত্যাগ কৰাৰ সিদ্ধান্ত শশাংক দাসে লোৱাৰ বিষয়ে সাংবাদিকে কৰা উত্তৰত উক্ত মন্তব্য কৰে প্ৰাক্তন বিধায়কজনে। তেওঁ কয় যে শশাংক দাসে যোৱা ৩০ বছৰে নিষ্ঠা আৰু সততাৰে কাম কৰাৰ পাছত বৰ্তমান সময়ত যাতে তেওঁ দল ত্যাগ কৰাৰ সিদ্ধান্ত পৰিহাৰ কৰাৰ বাবে তেওঁ যোগাযোগ কৰিছিল যদিও কোনো সম্পৰ্ক নোহোৱাত বিধায়কজনে শশাংক দাসৰ লগত পুনৰ যোগাযোগ কৰি দল ত্যাগৰ সিদ্ধান্ত পুনৰ বিবেচনাৰ বাবে আহ্বান জনাব বুলি হোজাইত সাংবাদিকৰ আগত মন্তব্য কৰে। তেওঁ আৰু কয় যে দলৰ বিদ্ৰোহৰ যি উকমুকনি সেয়া যাতে আৰু নহয় তাৰ বাবে দলীয় কৰ্মী আৰু নেতাসকলক এটা সীমা নিৰ্ধাৰণ কৰি দিয়াৰ লগতে যিসকলে দলক ভাল পায় আৰু দলৰ নীতি-নিৰ্দেশ, আদৰ্শ মানি চলাটো বাধ্যতামূলক বুলি ভাবে।

ওদালগুৰিত বিভিন্ন বিভাগৰ পৰ্যালোচনা সভা

বিশেষ সংবাদদাতা

ওদালগুৰি, ৮ মে' ঃ ওদালগুৰি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি জিলাখনৰ বিভিন্ন বিভাগসমূহে কৰি থকা উন্নয়নমূলক কামৰ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত উক্ত সভাত জিলাখনৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, লোকনিৰ্মাণ (গৃহ-পথ) বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, স্বাস্থ্য বিভাগ, কৃষি বিভাগৰ লগতে আন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। উক্ত সভাতে জিলাখনত প্ৰতিটো বিভাগৰ অধীনত চলি থকা কেন্দ্ৰীয়-ৰাজ্যিক পৰ্যায়ৰ আঁচনিসমূহ ৰূপয়াণৰ বিষয়টোৰ লগতে আগন্তুক দিনত বিভাগসমূহৰ পৰিকল্পনা সন্দৰ্ভত প্ৰতিটো বিভাগৰ মুৰব্বীৰ পৰা খতিয়ান লোৱা হয়। জিলা উন্নয়ন, সমন্বয় আৰু নিৰীক্ষণ সমিতি চমুকৈ ডিছাৰ উক্ত বৈঠকত ওদালগুৰি সমষ্টিৰ বিধায়ক গোবিন্দ বসুমতাৰী, কলাইগাঁও সমষ্টিৰ বিধায়ক দুৰ্গা দাস বড়ো, মাজবাট সমষ্টিৰ বিধায়ক চৰণ বড়োৰ লগতে জিলা উপায়ুক্ত ডাঃ পি উদয় প্ৰবীন আৰু জিলাখনৰ কে'বাগৰাকী ইএম, এমচিএলএ উপস্থিত থাকে। জিলা তথ্য আৰু জনসংযোগ বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া নিলাক্ষী বৈশ্যই এক বিবৃতিযোগে এই কথা জানিবলৈ দিছে।

যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ত বিশ্ববিদ্যালয়ৰ অনুমোদিত আঠটাকৈ নতুন পাঠ্যক্ৰম মুকলি

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ৮ মে' ঃ যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ত যোৱা দুই মে'ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আঠটাকৈ দক্ষতা বিকাশৰ পাঠ্যক্ৰমৰ আৰম্ভ কৰা হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত পাঠ্যক্ৰমকেইটা হৈছে লাইফ স্কীল, ছ'ফ্ট স্কীল, কেঁচুসাৰ প্ৰস্তুতকৰণৰ প্ৰশিক্ষণ, এলইডি বাল্ব ৰিপেয়াৰিং, গ্ৰীণ টি প্ৰস্তুতকৰণৰ প্ৰশিক্ষণ, কম্পিউটাৰ বেচিক, বায়'ইনফৰমেট্ৰিকছ, চ'লিড ৰেষ্ট মেনেজমেণ্ট। ইতিমধ্যে পাঁচশ টকা মাচুল আদায় দি মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি কৰিছে। যোৱা দুই মে'ৰ পৰা পাঠ্যক্ৰমৰ শ্ৰেণী আৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দুলেন শইকীয়াই। লগতে ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ পাঠ্যক্ৰমৰ উপৰি অতিৰিক্ত পাঠ্যক্ৰম হিচাপে দক্ষতা বিকাশৰ চাৰ্টিফিকেট এখন লগত লৈ যাব পাৰিলে ভৱিষ্যতে কিদৰে লাভৱান হ'ব পাৰিব তাৰ ওপৰত আলোকপাত কৰে। এই উপলক্ষে অনুষ্ঠিত এখন সভাত উপাধ্যক্ষ ডঃ গণেশ চন্দ্ৰ বৰাই পাঠ্যক্ৰমসমূহৰ ওপৰত ছাত্ৰ-ছাত্ৰীক বিতং তথ্য দাঙি ধৰে। ইয়াৰ পাছতে পাঠ্যক্ৰমৰ সমন্বয়কসকলে নিজ নিজ বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলক ধাৰণা প্ৰদান কৰি বক্তব্য আগবঢ়ায়। উল্লেখ্য যে আঠটাকৈ বিষয়ত বিভিন্ন দিশ সন্নিৱিষ্ট কৰি তিনি-ন ক্ৰেডিটৰ পাঠ্যক্ৰম প্ৰস্তুত কৰি বিশ্ববিদ্যালয়ৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰাৰ পাছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অলপতে কেউটা পাঠ্যক্ৰমত অনুমোদন জনাই এই শিক্ষাবৰ্ষৰ পৰা আৰম্ভ কৰিব পৰাকৈ যাৱতীয় সুবিধা প্ৰদান কৰিছিল।

গৌৰীসাগৰত অবৈধ ১০৮ টিন লালীগুড়সহ দুজনক আটক

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ৮ মে' ঃ শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন প্ৰান্তত দীৰ্ঘদিনৰ পৰা চলি অহা অবৈধ লালীগুড় আৰু চুলাইৰ বিৰুদ্ধে গৌৰীসাগৰ আৰক্ষীয়ে নিয়মিত অভিযান চলাই আহিছে। কিন্তু অবৈধ লালীগুড় আৰু চুলাই মদৰ বেপাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰি অহাৰ মাজতে একাংশই চলাই আহিছে এই অবৈধ ব্যৱসায়। গৌৰীসাগৰ আৰক্ষীৰ আজি এক অভিযানত এনে ব্যৱসায়ৰ লগত জড়িত দুজনকৈ ব্যক্তিক গাড়ীসহ আটক কৰিবলৈ সক্ষম হোৱাৰ লগতে ১০৮ টিন লালীগুড় জব্দ কৰে। গৌৰীসাগৰ আৰক্ষীয়ে সদৰী কৰা মতে আজি পুৱা প্ৰায় চাৰি বজাত থানাখনৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সত্যজিৎ বৰঠাকুৰৰ নেতৃত্বত এটা দলে জৰাধৰাত তালাচী চলাই থাকোতে জাঁজী ফুলপানীচিগা মাজুমেলিয়া দিশৰ পৰা এ এছ-০২ চি চি-৫৮১৪ নম্বৰৰ এখন বলেৰ' পিক আপ ভান আহি থকা অৱস্থাত ৰখাবলৈ ইংগিত দিয়ে। কিন্তু আৰক্ষীৰ ইংগিত অমান্য কৰি বলেৰ' পিক আপ ভানখন পলাবলৈ চেষ্টা কৰাৰ লগতে আৰক্ষীৰ গাড়ীখন মহটিয়াই নিয়াৰ চেষ্টা চলায় যদিও আৰক্ষীয়ে বলেৰ' পিক আপ ভানখন ৰখাবলৈ সক্ষম হয়। পাছত আৰক্ষীয়ে গাড়ীখনত তালাচী চলাই চুলাই ভাটিলৈ অনা লালীগুড়খিনি জব্দ কৰাৰ লগতে গাড়ীসহ দুজনকৈ ব্যক্তিক আটক কৰে। আটক কৰা ব্যক্তি দুজনৰ এজন হোজাইৰ ডবলাং গাঁৱৰ জুহিদুল ইছলাম আৰু আনজন হ'ল একে গাঁৱৰ ৰহমত আলী।

বৰহোলা বাসৱৰৰ পথৰ দুৰৱস্থাত অতিষ্ঠ ৰাইজ

■ পথ নহয় বোৱঁতী নদী ■ যাতায়াতত ব্যাঘাত ■ শীঘ্ৰে মেৰামতিৰ দাবী ৰাইজৰ

অগ্ৰদূত বাৰ্তা

আঠখেলীয়া, ৮ মে' ঃ গোলাঘাট লোকনিৰ্মাণ বিভাগৰ অধীনস্থ, এজাক বৰষুণতে বোৱঁতী নদীৰ ৰূপ ধাৰণ কৰা বৰহোলা বাসৱৰৰ গড়কাপ্টানী পথটোৱে ৰাইজক যমৰ যাতনা ভোগোৱাৰ অভিযোগ উঠিছে। ৰাইজৰ অভিযোগ অনুযায়ী যোৰহাট জিলাৰ তিতাবৰ মহকুমা লোকনিৰ্মাণ বিভাগৰ অধীনস্থ বৰহোলা আৰক্ষী নিৱেশৰ সন্মুখৰ পৰা গোলাঘাট জিলাৰ কানিমহল চাৰিআলি হৈ বাসৱৰৰ পৰ্যন্ত থকা (গোলাঘাট জিলাৰ অধীনস্থ) গড়কাপ্টানী পথছোৱা যোৱা ২০১২-১৩তে নিৰ্মাণ কৰাৰ পাছত যোৰহাট-গোলাঘাট জিলাৰ সংশ্লিষ্ট কোনো এটা বিভাগেই এচপৰা নতুন মাটি দিও মেৰামতি কৰা নাই। বৰহোলাৰ পৰা বাসৱৰৰলৈ ১৪/১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথটোৱেই জিলা দুখনৰ বৰহোলা, লোশলীয়া, আঠখেলীয়া বছা, নপমুৱা কুমাৰ, খাৰজান, বছা ভৰলুৱা, বছা বকচিয়াল, সৰুকছাৰি, বৰকছাৰি আদি গাঁৱৰ ৫০ হেজৰৰো অধিক জনতাৰ একমাত্ৰ যাতায়াতী পথ। বিগত সময়ত হৈ যোৱা নিৰ্বাচনসমূহৰ পূৰ্বে জিলা দুখনৰ লোকনিৰ্মাণ বিভাগে পথটোৰ কানিমহল চাৰিআলিৰ আৰু বৰহোলা থানাৰ সন্মুখত সামান্য মেৰামতি কৰি পথ মেৰামতিৰ দায়বদ্ধতা পালন কৰা দেখুৱাই ৰাইজৰ ঘৰে ঘৰে গৈ ভোট ভিক্ষা কৰিছিল যদিও নিৰ্বাচন শেষ হোৱাৰ পাছতে ক্ষমতা লাভ কৰি ৰাইজৰ পথ মেৰামতিৰ দায়বদ্ধতা সম্পূৰ্ণ পাঁচটা বছৰলৈ পাহৰি যোৱা বুলি ৰাইজে প্ৰকাশ কৰিছে। বৰ্তমান ঠায়ে ঠায়ে পথৰ কাষৰ খেতিৰ পথাৰতকৈ দকৈ বৰষুণৰ পানীতে নদীৰূপ লোৱা পথটো অতি জৰুৰীভাৱে মেৰামতি অথবা নতুনকৈ নিৰ্মাণ কৰিবলৈ ৰাইজে দাবী জনাইছে। অন্যথা সংশ্লিষ্ট ৰাইজ তথা বিভিন্ন স্বেচ্ছাসেৱী সংগঠনে পথ বন্ধৰ দৰে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সদৰী কৰিছে।

মঙলদৈ ন হাউলীৰ যুৱক নৰ ডেকা নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ৮ মে' ঃ মঙলদৈ চহৰৰ নিকটৱৰ্তী ন হাউলী নিৱাসী প্ৰয়াত হলিৰাম ডেকা আৰু পখিলা ডেকাৰ দ্বিতীয় পুত্ৰ সন্তান নৰ ডেকা (২২) যোৱা তিনি মে'ৰ পৰা নিৰুদ্দেশ হৈ আছে। জ্যেষ্ঠ ভ্ৰাতৃ বিশ্বজিৎ ডেকাই জনোৱা মতে, যোৱা তিনি মে'ৰ বিয়লি চাৰি বজাত হঠাতে ঘৰৰ পৰা ওলাই যোৱাৰে পৰা আজিলৈ কোনো শুংসূত্ৰ পৰিয়ালে পোৱা নাই। ইতিমধ্যে ঘটনা সম্পৰ্কত চাৰি মে'ত জ্যেষ্ঠ ভ্ৰাতৃ বিশ্বজিৎ ডেকাই মঙলদৈ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। কোনো লোকে শুংসূত্ৰ পালে ৯৩৬৫৩৩৪৩৭৩ ফোন নম্বৰত অথবা আৰক্ষী থানাত যোগাযোগ কৰিবলৈ পৰিয়ালে অনুৰোধ জনাইছে।

নাম সলনিৰ বাবে শিৱসাগৰ পাব্লিক প'ৰ্টেল মুকলি

বিশেষ সংবাদদাতা

শিৱসাগৰ, ৮ মে' ঃ শিৱসাগৰ জিলাৰ কেতবোৰ ঠাই, চহৰ, গাঁও, পথ, দলং, নগৰ আদিৰ নতুনকৈ নামকৰণৰ বাবে কালি এক পাব্লিক প'ৰ্টেল মুকলি কৰা হয়। এই সন্দৰ্ভত শিৱসাগৰ জিলা প্ৰশাসনে আয়োজন কৰা এক সংবাদমেলত অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগে এই কথা অৱগত কৰে। তেওঁ কয় যে এই পাব্লিক প'ৰ্টেল শিৱসাগৰ জিলাৰ ৱেবছাইটৰ স'তে সংযোগ থাকিব। ইচ্ছুক ব্যক্তি, সংস্থা বা অনুষ্ঠান আদিয়ে কোনো ঠাইৰ, পথ, দলং আদিৰ নাম সলনিৰ বাবে অনলাইনযোগে আবেদন কৰিব লাগিব। জিলা প্ৰশাসনে প্ৰদান কৰা ৱেবছাইটত নাম সলনিৰ বাবে আবেদনৰ সুবিধা থাকিব। শিৱসাগৰ জিলাৰ ৱেবছাইট হৈছে sivasagar.nic.in. শিৱসাগৰ জিলাখনৰ অন্তৰ্গত কোনোবা ঠাইৰ নাম নতুবা পথ, দলং আদিৰ নাম সলনি কৰিবলগীয়া থাকিলে জিলা প্ৰশাসনে প্ৰদান কৰা ৱেবছাইটযোগে আবেদন কৰিবৰ কাৰণে অতিৰিক্ত উপায়ুক্তজনে আহ্বান জনাইছে।

মৰাণত চুৰি হোৱা মটৰ চাইকেলসহ গভাইত চোৰক আটক

অগ্ৰদূত বাৰ্তা

মৰাণ, ৮ মে' ঃ ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাই সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোৱা পাঁচ মে'ৰ নিশা মৰাণ আৰক্ষীয়ে দুখনকৈ চুৰি হোৱা মটৰ চাইকেলৰ স'তে এজন গভাইত চোৰক আটক কৰিছে। মটৰ চাইকেলৰ গৰাকীৰ অভিযোগ অনুসৰি মৰাণ আৰক্ষীয়ে চৰাইদেউ জিলাৰ ডবকা চাহ বাগিচাৰ পৰা এখন মটৰ চাইকেল আৰু মৰাণৰ মিৰিহোলাৰ পৰা এখন মটৰ চাইকেলসহ এজন গভাইত চোৰক আটক কৰিছে। আটক কৰা চোৰজন মৰাণ ৰাঙলীৰ অনুজ কোঁৱৰ(৩৮) বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। উদ্ধাৰ হোৱা মটৰ চাইকেলকেইখনৰ নম্বৰ হৈছে ক্ৰমে এছ-০৬ আৰ-১৯৪৮ পালচাৰ আৰু এএছ-০৬ এডি-৫৯৯২ য়ামাহা এমটি ১৫। ইয়াৰে এখন মটৰ চাইকেলৰ গৰাকী ওলাইছে যদিও আনখনৰ গৰাকী আৰক্ষীয়ে লাভ কৰা নাই। আটক কৰা গভাইত চোৰজনক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

নুমলীগড় চাহ বাগিচাত শৈক্ষিক অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

নুমলীগড়, ৮ মে' ঃ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান-গোলাঘাট জিলাৰ উদ্যোগত নুমলীগড় ছ'চিঅ' ডেভেলপমেন্ট ছ'চাইটি আৰু 'প্ৰজন্ম' কমাৰগাঁৱৰ সহযোগত অনুসূচিত জাতি আৰু জনজাতিৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে এক বিশেষ আঁচনিৰ শৈক্ষিক অভিযান কালি নুমলীগড় চাহ বাগিচাৰ অন্তৰ্গত বি এম পি লাইন অঞ্চলত অনুষ্ঠিত হয়। বৰমহৰি পথাৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আয়োজন কৰা অনুষ্ঠানত ঝুমুইৰ নৃত্য পৰিৱেশন কৰে। লগতে স্থানীয় ৰাইজৰ মাজত শৈক্ষিক দিশৰ ওপৰত অনুষ্ঠিত হয় এক অন্তৰংগ আলাপ। নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহেন শইকীয়াই আঁত ধৰা অনুষ্ঠানত গোলাঘাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ডঃ সমীৰণ বৰাই চাহ বাগিচাৰ লগতে কিছু অঞ্চলত চলি থকা বাল্য বিবাহ, শিশু শ্ৰমিক, পুষ্টিহীনতা আদিৰ ওপৰত বক্তব্য প্ৰদান কৰাৰ লগতে ৰাইজৰ স'তে মত-বিনিময় কৰে। বোকাখাত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰুদ্ৰ শইকীয়া, বোকাখাত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ সমল ব্যক্তি প্ৰদীপ শৰ্মা, ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পাৰুল দেৱীয়ে বৰ্তমান শিক্ষা ব্যৱস্থাত অভিভাৱকসকলক জড়িত হোৱাৰ লগতে শিক্ষাৰ অধিকাৰ আইন অনুসৰি সকলোকে মানুহৰূপে গঢ়াৰ লক্ষ্যৰে বিদ্যালয়লৈ পঠিয়াবলৈ আহ্বান জনায়। আটছাৰ বোকাখাত সমিতিৰ সম্পাদক অমৃত সাগৰ আৰু নুমলীগড় বাগিচা সংঘৰ সভাপতি নাথু দুচাদেও অনুষ্ঠানত বক্তব্য প্ৰদান কৰে।

■ গোলাঘাট জিলা ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ উদ্যোগ

পুতুল বুঢ়াগোহাঁইৰ যোৰহাট জিলা কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ৮ মে' ঃ জ্যেষ্ঠ কংগ্ৰেছ নেতা পুতুল বুঢ়াগোহাঁই কালি যোৰহাট জিলা কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভাপতিৰূপে দায়িত্বভাৰ গ্ৰহণ কৰে। যোৰহাট জিলা পৰিষদৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ বিশেষ কৰ্তব্যৰত বিষয়াৰূপে দায়িত্ব পালন কৰা পুতুল বুঢ়াগোহাঁইক যোৰহাট জিলা কংগ্ৰেছ ভৱনলৈ দুপৰীয়া কংগ্ৰেছ কৰ্মীয়ে এক বৃহৎ সমদলেৰে আদৰি আনে আৰু জিলা কংগ্ৰেছৰ কাৰ্যালয়ত বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি দীপ গগৈৰ পৰা তেওঁ সভাপতিৰ দায়িত্বভাৰ আজি আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে। অনুষ্ঠানত প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভাপতি-প্ৰাক্তন বিধায়ক ৰাণা গোস্বামী, তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, প্ৰাক্তন সাংসদ দীপ গগৈ আদিকে ধৰি প্ৰদেশ কংগ্ৰেছ কমিটীৰ কে'বাজনো বিষয়ববীয়া, জিলা কংগ্ৰেছ কমিটীৰ বিষয়ববীয়া, ব্লক তথা মণ্ডল আৰু বুথ কমিটীৰ প্ৰতিনিধি-কৰ্মীসকল উপস্থিত থাকে।

বৰিমাখাত জিলা প্ৰশাসনৰ উদ্যোগত অনুশীলন

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ৮ মে'ঃ বাৰিষা কাল সমাগত। বাৰিষাৰ আগমনৰ লগে লগে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ একাংশ লোক বানপানীৰ ভয়াৱহতাৰ কথা চিন্তা কৰি শংকিত হৈ পৰে। এনে শংকিত লোকসকলক নিৰ্ভয় প্ৰদান কৰাৰ লগতে বানপানীৰ সময়ত ল'বলগীয়া সাৱধানতাৰ বিষয়ে সজাগ কৰাৰ উদ্দেশ্যে কালি বাগ্‌সা জিলা প্ৰশাসনৰ উদ্যোগত এক অনুশীলন অনুষ্ঠিত হয়। জিলাখনৰ বাগ্‌সা ৰাজহ চক্ৰৰ অন্তৰ্গত বৰিমাখাৰ এটা বিশাল জলাশয়ত দুই শতাধিক লোকৰ উপস্থিতিত এই অনুশীলন ৰূপায়ণ কৰা হয়। এই অনুশীলনত বানাক্ৰান্ত লোকক উদ্ধাৰ কৰা, নাও দুৰ্ঘটনাৰ সময়ত পানীৰ পৰা মানুহক ডুবাৰুৰ সহায়ত উদ্ধাৰ কৰা, আহত লোকক চিকিৎসা প্ৰদান আৰু চিকিৎসালয়লৈ প্ৰেৰণ কৰা, বিভিন্ন আহিলাৰ দ্বাৰা ঘৰতে থকা সামগ্ৰীৰে নাও প্ৰস্তুত কৰা আদি কৌশল প্ৰদৰ্শন কৰা হয়। বাগ্‌সা জিলাৰ অতিৰিক্ত উপায়ুক্ত বন্তি তালুকদাৰৰ উপস্থিতিত অনুষ্ঠিত মক-ড্ৰীলৰ জৰিয়তে জিলা দুৰ্যোগ প্ৰশমন বিভাগৰ বিষয়া-অভিযন্তা তথা ক্ষেত্ৰ পৰ্যায়ত দায়িত্বৰত কৰ্মচাৰীসকলৰ উপৰি চক্ৰ বিষয়া, গাঁওবুঢ়া, স্বাস্থ্য বিভাগ, আৰক্ষীৰ লগতে জৰুৰী সেৱাত নিয়োজিত বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলক আগন্তুক বাৰিষা তথা বানপানীৰ সময়ছোৱাত ল'ব লগা সতৰ্কতামূলক আৰু জৰুৰী কাৰ্যপন্থাৰ বিষয়ে জিলা প্ৰশাসনৰ ফালৰ পৰা সচেষ্ট কৰাৰ চেষ্টা কৰা হয়।

হোজাইত গুণোৎসৱ-২০২২ প্ৰশাসনৰ বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা

অগ্ৰদূত বাৰ্তা

হোজাই, ৮ মে' ঃ সমগ্ৰ জিলাৰ লগতে হোজাই জিলাতো সৰ্বশিক্ষা অভিযান, অসমৰ অধীনত আৰম্ভ ল'বলগীয়া গুণোৎসৱ-২০২২ৰ দ্বিতীয় অংশৰ হোজাইৰ বাবে জিলা প্ৰশাসনে এক বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। জিলাখনৰ ৯৫১খন বিদ্যালয়ক সামৰি মুঠ ৩২৪ টা গোটৰ জৰিয়তে এই গুণোৎসৱ পালন কৰা হ'ব। ইতিমধ্যে জিলা উপায়ুক্ত অনুপম চৌধুৰীৰ নিৰ্দেশ মৰ্মে নগাঁও আৰু কাৰ্বি আংলং জিলাৰ পৰা গুণোৎসৱৰ বিষয়ে প্ৰশিক্ষণ দিবলৈ শিক্ষকসকলক অনাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই প্ৰশিক্ষণৰ বাবে চাৰিজন প্ৰশিক্ষকো নিয়োগ কৰা হৈছে। তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰিবলগীয়া এই গুণোৎসৱে প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে সামৰি ল'ব।

ঘগ্ৰাপাৰত গাঁওবুঢ়া ফৰমুদ আলীক ৰাজহুৱা সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ৮ মে' ঃ নিষ্ঠা আৰু সততাৰে নিজৰ কৰ্মজীৱনৰ সমাপ্তি ঘটোৱা এজন গাঁওবুঢ়াক গাঁওবাসী আৰু সংঘৰ যুটীয়া উদ্যোগত ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰজাৱৰিহাটী গাঁও নিৱাসী গাঁওবুঢ়া ফৰমুদ আলীক বৰজাৱৰিহাটী বড়মছজিদ প্ৰাংগণত কালি ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। ১৯৬৯ৰ পৰা ১৯৭২লৈ গাঁও পঞ্চায়তৰ সদস্য হিচাপে অতি দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰাৰ অন্তত ১৯৭৩ত স্থানীয় ৰাইজৰ সহযোগত গাঁওবুঢ়া পদত অধিষ্ঠিত হ'বলৈ সক্ষম হয়। গাঁওবুঢ়া পদত অধিষ্ঠিত হোৱা সময়ৰে পৰা সুদীৰ্ঘকাল নিষ্ঠা আৰু সততাৰে কৰ্মজীৱনৰ সামৰণি কৰে। গাঁওবুঢ়া সম্পৰ্কীয় সকলো কাম-কাজ নিয়াৰিকৈ সমাপন কৰাৰ পৰিপ্ৰেক্ষিতত চক্ৰ বিষয়া আৰু উপায়ুক্তৰ পৰা দুই তিনিবাৰ সন্মানিত হয়। তদুপৰি বৰজাৱৰিহাটী গাঁওখনৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে আত্মনিয়োগ কৰি উন্নয়ন সাধন কৰিবলৈ সক্ষম হৈছে। গাঁও উন্নয়নৰ ক্ষেত্ৰত ব্যৱহৃত ধন আহৰণৰ উৎসসমূহ তেৰেঁই যুগুতাই থৈছে। তাহানিৰে পৰা কালি পৰ্যন্ত নিৰৱচ্ছিন্নভাৱে গাঁও উন্নয়নন ক্ষেত্ৰত আত্মিকতাৰে লাগি থকাৰ বাবে গাঁওবাসী আৰু স্থানীয় জনপ্ৰিয় সংঘৰ যুটীয়া উদ্যোগত গাঁওবুঢ়া ফৰমুদ আলীক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়।

শ্বায়েৰীয়ে যুগে যুগে কাব্যপ্ৰেমীক বিমুগ্ধ কৰি আহিছে ঃ গগৈ

বিশেষ সংবাদদাতা

শিৱসাগৰ, ৮ মে' ঃ শিৱসাগৰ জিলাৰ হাহচৰা মৌজাৰ হাহচৰা মণিপুৰী গাঁৱৰ প্ৰতিষ্ঠিত কবি বন্তি গগৈৰ প্ৰথমখন শ্বায়েৰী সংকলন গ্ৰন্থ 'জোনাকৰ আঁৰত জুই' আজি উন্মোচন কৰা হয়। শিৱসাগৰ প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট কবি, সাহিত্যিক প্ৰেম গগৈয়ে গ্ৰন্থখন উন্মোচন কৰি কয় যে গ্ৰন্থখনিত অনুবাদ নকৰাকৈ নিজে লিখা শ্বায়েৰীবোৰ অনুভৱ অভিনৱ বুলি উল্লেখ কৰি বন্তি গগৈয়ে ইতিমধ্যে কাব্য সাহিত্যৰ জগতত এখন আসন লাভ কৰিবলৈ সক্ষম হৈছে বুলি ব্যক্ত কৰে। শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈয়ে সঞ্চালনা কৰা আৰু লক্ষ্মী শৰ্মাই আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° সীমান্ত বৰুৱাই সমাজ গতিশীল, এই গতিশীলতাৰ মাজেৰ

অসমত এতিয়া এজনেই মন্ত্ৰী, এজনেই

এক পৃষ্ঠাৰ পৰা কোটি কোটি টকাৰ ঋণ লৈছে। বিধ্বস্ত প্ৰায় অৰ্থনীতিক ঢাকি ৰাখিবলৈ জনতাক ধৰ্মীয় বিভাজন কৰি উন্মাদ কৰি তুলিছে। মুঠৰ ওপৰত বিজেপিৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম এটা বছৰ অসমৰ জনতাই সম্পূৰ্ণ স্বৈৰতান্ত্ৰিক শাসকৰ অধীনত হতাশাৰে পাৰ কৰিলে।' এই মন্তব্য ৰাইজৰ দলৰ সভাপতি বিধায়ক অখিল গগৈৰ।

আজি ইয়াত এক সংবাদমেলত বিধায়ক গগৈয়ে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এবছৰীয়া কাৰ্যকালত চাৰিওফালে হাহাকাৰ হৈছে আৰু আৰ্থিক দুৰৱস্থাই মানুহক হতাশাত ভোগাইছে। ৰাইজৰ হাতত ধন নাই, বিশেষকৈ সাধাৰণ মানুহৰ লাওলোৱা অৱস্থা হৈছে বুলি ক্ষোভ প্ৰকাশ কৰি বিধায়ক গগৈয়ে কয়, 'সাধাৰণ ৰাইজ দেউলীয়া হোৱাৰ ফলত বহু নিদাৰুণ ঘটনা সংঘটিত হ'বলৈ লৈছে। কোকৰাঝাৰত শেহতীয়াকৈ তিনি সন্তানক বিক্ৰী কৰিবলৈ বজাৰলৈ আহি অভিভাৱকে মুকলি দৰ-দামত লিপ্ত হ'বলগীয়া হৈছে। ৰাজধানী মহানগৰীৰ গণেশগুৰিত অত্যধিক কামৰ হেঁচাত ছুইগীৰ কৰ্মচাৰী দীপাংকৰ কলিতাই ৰাজপথতে মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছে। সাধাৰণ জনতাৰ মাজত আৰ্থিক সংকটে ইমান গভীৰলৈ শিপাই যোৱাৰ পাছতো যে এখন চৰকাৰে নিৰ্লজ্জভাৱে ওভতগোৱে নাচিব পাৰে, এয়া অত্যন্ত দৃষ্টিকটু আৰু নিন্দনীয়।'

পেট্ৰ'লজাত সামগ্ৰী, ৰন্ধন গেছ, চাউল, আটা, মিঠাতেল, নিমখ, ঔষধ, ঘৰ নিৰ্মাণৰ সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিয়ে সৰ্বস্তৰৰ নাগৰিকক দহিছে আৰু ফলস্বৰূপে আৰ্থিকভাৱে জনতাক কোঙা কৰি পেলাইছে বুলিও বিধায়ক গগৈয়ে চৰকাৰৰ সমালোচনাত মুখৰ হয়।

অসম চৰকাৰৰ বিত্ত বিভাগৰ তথ্যৰ উদ্ধৃতি দি তেওঁ কয় যে সম্প্ৰতি ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে ধাৰত পোত গৈছে। ২০২২ৰ ৩১ মাৰ্চ পৰ্যন্ত অসম চৰকাৰৰ মুঠ ধাৰৰ পৰিমাণ এক লাখ আঠ হেজাৰ তিনিশ ৪৭ দশমিক ২৭ কোটি টকা বুলি প্ৰকাশ কৰি গগৈয়ে কয় যে কংগ্ৰেছৰ শাসনলৈকে অসমৰ মুঠ ধাৰৰ পৰিমাণ আছিল ৪১ হেজাৰ নশ ৬৪ কোটি টকা আৰু ৩১ মাৰ্চ, ২০১৬ৰ পাছত, অৰ্থাৎ সৰ্বানন্দ সোণোৱাল চৰকাৰৰ দিনত লোৱা অসমৰ সৰ্বমুঠ ধাৰৰ পৰিমাণ আছিল ৫১ হেজাৰ এশ ১২ কোটি টকা। তেওঁ কয় যে সেই অনুপাতে ৩১ মাৰ্চ, ২০২১ লৈ অসমৰ মুঠ ঋণৰ পৰিমাণ ৯৩ হেজাৰ ৭৬ কোটি টকা। প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালৰ কাৰ্যকালত বছৰি গড়ে লোৱা ঋণৰ পৰিমাণ ১০,২২২.৪ কোটি টকা আৰু হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে এবছৰত লোৱা ঋণৰ পৰিমাণ ১৫,০৭১.২৭ কোটি টকা বুলি উল্লেখ কৰি বিধায়ক গগৈয়ে কয় যে এই বৃহৎ পৰিমাণৰ বিদেশী ঋণৰ পৰিমাণতে ক্ষান্ত নাথাকি ২০২২-২৩ত অসম চৰকাৰে ১৬,৬৩১ কোটি টকা ঋণ লোৱাৰ পৰিকল্পনা কৰিছে আৰু এই পৰিকল্পনাই যদি বাস্তৱ ৰূপ পায় তেন্তে মূল্যবৃদ্ধিয়ে মানুহক একেবাৰে ডুবাই পেলাব। পূৰ্বে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমক কেন্দ্ৰৰ বিজেপি চৰকাৰে সৰ্বতোপ্ৰকাৰে নিয়ন্ত্ৰণাধীন কৰাৰ পাছত মুখ্যমন্ত্ৰী শৰ্মাৰ শাসন কালত অসমৰ সংবাদ মাধ্যমসমূহকো চৰকাৰে সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰি পেলালে বুলি অভিযোগ উত্থাপন কৰি বিধায়ক গগৈয়ে কয়, 'হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখন ৰাজনৈতিক মাৰ্কেটিঙত সফল। সংবাদ মাধ্যমক চৰকাৰৰ নিয়ন্ত্ৰণাধীন কৰি প্ৰতিটো সঁচা-মিছা কথাকে চৰকাৰৰ বৃহৎ সাফল্য হিচাপে প্ৰচাৰ কৰাত সফল হৈছে চৰকাৰখন। ফলত প্ৰকৃত উন্নয়ন শূন্য।' উন্নয়নহীনতাই শৰ্মা চৰকাৰৰ প্ৰধান বৈশিষ্ট্য যদিও সংবাদ মাধ্যমৰ জৰিয়তে আৰু সামাজিক মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰী শৰ্মাক 'উন্নয়ন পুৰুষ'ৰূপে ব্যাপক প্ৰচাৰ কৰাটো অত্যন্ত দুৰ্ভাগ্যজনক আৰু নিন্দনীয় বুলিও বিধায়কজনে আজি অভিমত ব্যক্ত কৰে।

অসমৰ মানুহক নিৰ্দয়ভাৱে দুখীয়া কৰা, মূল্যবৃদ্ধিৰ জৰিয়তে মানুহক কোঙা কৰা, সৰ্বস্তৰৰ মানুহক ধাৰত পুতি পেলোৱা, ৰাজনীতি, সমাজনীতি আৰু সমগ্ৰ প্ৰশাসনিক ব্যৱস্থাটো ধ্বংস কৰা, সংবাদ মাধ্যমক ব্লেকমেইল কৰি নিজৰ নিয়ন্ত্ৰণলৈ অনা, কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসহায়ভাৱে আত্মসমৰ্পণ কৰা আৰু ৰাজনীতিক মাৰ্কেটিঙলৈ পৰিণত কৰাটো ২০১৪ৰ পৰা আজি পৰ্যন্ত শাসনত থকা বিজেপিৰ অন্যতম সফলতা বুলি কটাক্ষ কৰি তেওঁ দাবী কৰে যে উপৰোক্ত আঠটাকৈ বিশেষ সফলতাৰ বাহিৰে বিজেপিয়ে সামগ্ৰিকভাৱে বিফল হৈছে আৰু নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিৰ সকলোখিনিৰ পৰাই পৰিকল্পিতভাৱে ৰূপায়ণৰ পৰা বিৰত আছে।

বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তনৰ ফলত ভাৰতৰ বিশেষ ৰাজ্যসমূহে লাভ কৰি অহা বিশেষ পৰিকল্পনা সাহায্যসমূহ অৰ্থাৎ নিয়মীয়া কেন্দ্ৰীয় সাহায্য, বিশেষ পৰিকল্পনা সাহায্য আৰু অনিৰ্ধাৰিত বিশেষ কেন্দ্ৰীয় সাহায্যসমূহ কেন্দ্ৰীয় চৰকাৰে বন্ধ কৰি দিয়াৰ লগতে কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনিসমূহৰ ক্ষেত্ৰত পুঁজি যোগানৰ ধৰণ সলনি কৰিলে বুলি উল্লেখ কৰি গগৈয়ে কয়, 'বিজেপিৰ দিনত অসমকে ধৰি বিশেষ ৰাজ্যৰ মৰ্যাদা পাই থকা ৰাজ্য চৰকাৰসমূহ দেউলীয়া হ'ল। বিশেষ ৰাজ্যৰ মৰ্যাদা হেৰুৱাই অসমে বছৰি ৩০ৰ পৰা ৪০ হেজাৰ কোটি টকা প্ৰাপ্য পুঁজি হেৰুৱাইছে। বিশেষ ৰাজ্যৰ মৰ্যাদা হেৰুওৱাৰ ফলত অসম চৰকাৰ একপ্ৰকাৰ দেউলীয়া হ'ল বুলি দাবী কৰি বিধায়ক গগৈয়ে কয় যে তৎসত্ত্বেও মুখ্যমন্ত্ৰীয়ে প্ৰতিবাদ কৰিবলৈ সৎ সাহস নাই, বিপৰীতে মুখ্যমন্ত্ৰী শৰ্মাই দিল্লীৰ ওচৰত আত্মসমৰ্পণ কৰিলে আৰু দিল্লীৰ প্ৰতিটো কথা বিনাদ্বিধাই মানি লোৱা আৰু অসমৰ স্বাৰ্থক বিসৰ্জন দিয়াটো বৰ্তমানৰ চৰকাৰখনৰ অন্যতম চৰিত্ৰ। বৰ্তমানৰ অসম চৰকাৰৰ মুখ্যমন্ত্ৰীজনে ইতিহাসৰ সবাতোকৈ আত্মসমৰ্পণকাৰী মুখ্যমন্ত্ৰী বুলিও গগৈয়ে আজি কটাক্ষ কৰে।

অগপক শক্তিশালী কৰাৰ আহ্বান মুখ্যমন্ত্ৰীৰ

এক পৃষ্ঠাৰ পৰা ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'অগপৰ তৰফৰ পৰা চৰকাৰৰ মন্ত্ৰীসভাত প্ৰতিনিধিত্ব কৰা সভাপতি বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই অত্যন্ত নিষ্ঠাৰে যোৱা এবছৰে দায়িত্ব পালন কৰি আছিছে। পূৰ্ববৰ্তী বছৰবোৰৰ তুলনাত অগপ আৰু বিজেপিৰ মাজত সম্পৰ্ক আৰু মিত্ৰতা বিগত বছৰটোত যথেষ্ট শক্তিশালী হৈছে। আজি অগপৰ কৰ্মকৰ্তাসকলেও এই চৰকাৰখনক নিজৰ বুলি অনুভৱ কৰিব পৰা এটা পৰিৱেশ আমি সকলোৱে নিৰ্মাণ কৰিব পাৰিছো। অনাগত দিনত বিজেপিৰ কাৰ্যকৰ্তাসকলৰ লগতে অগপৰ কৰ্মকৰ্তাসকলেও এই চৰকাৰৰ কাম-কাজৰ লগত নিজক সমাহিত কৰি নিজৰ চৰকাৰ বুলি ভাবি যাতে কাম কৰিব পাৰে, তেনে পৰিৱেশ নিৰ্মাণ আৰু শক্তিশালী কৰাৰ বাবে আমি সকলোৱে কাম কৰিম। অগপৰ সভাপতিক মই আহ্বান জনাম যে যিধৰণে তেওঁ চৰকাৰখনৰ কাৰণে কাম কৰিছে, অগপক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিবলৈ কাম কৰক। আমি বিচাৰো যে চৰকাৰখনৰ সফলতাৰ লগে লগে ৰাজনৈতিকভাৱেও যাতে আমি আগবাঢ়ি যাব পাৰো।' অগপক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিবলৈ সভাপতি বৰাক আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই বিজেপিয়ে দলক শক্তিশালী কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপসমূহ ব্যাখ্যা কৰি পুনৰ কয়, 'বিজেপিয়ে কেনেকৈ কাম কৰে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিদৰে কাম কৰিবলৈ শিকাইছে, তাৰ বিভিন্ন আভাস অগপ সভাপতি বৰা আৰু কাৰ্যকৰী সভাপতি মহন্তই যোৱা দিন কেইটাত ওচৰৰ পৰা দেখিবলৈ পাইছে। যোৱা এবছৰ আমি যদি চৰকাৰখনৰ বাবে কাম কৰিছো; সমান্তৰালভাৱে বিজেপিক শক্তিশালী কৰিবলৈও কাম কৰিছো। বিজেপি চৰকাৰ গঠন হোৱাৰ পাছত যোৱা এবছৰে মুখ্যমন্ত্ৰী হিচাপে নহয়; এজন সাধাৰণ কৰ্মকৰ্তা হিচাপে আমি চাৰিটা কামত অধিক গুৰুত্ব প্ৰদান কৰিছিলো। তাৰে এটা হ'ল কৰ্মকৰ্তা নিৰ্মাণ। প্ৰতিটো দিনতে যাতে নতুন কৰ্মকৰ্তা নিৰ্মাণ কৰিব পৰা যায়, তাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। কৰ্মকৰ্তা নিৰ্মাণ হোৱাৰ পাছত আমাক কাৰ্যসূচী লাগিব আৰু প্ৰতিটো মাহতে বিজেপিৰ কৰ্মকৰ্তাসকলক বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে দলটোৰ লগত সমপিত কৰিবলৈ চেষ্টা কৰিছো। বিজেপি দেশত এটা পুৰণা দল হ'লেও অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত ই নতুন আছিল আৰু যাৰ বাবে ৰাজ্যৰ মুখ্য কাৰ্যালয়ৰ পৰা মণ্ডল পৰ্যায়লৈ আমি কাৰ্যালয় নিৰ্মাণৰ কামত গুৰুত্ব দিছিলো। ব্যৱসায়ীৰ ওচৰলৈ নোযোৱাকৈ, দলৰ বাহিৰৰ ব্যক্তিৰ ওচৰত হাত নপতাকৈ কোষ নিৰ্মাণত গুৰুত্ব দিছিলো, যাতে দল কোনোবা সময়ত যদি কিবা কাৰণত বিপদৰ সন্মুখীন হয়, তেতিয়া জীয়াই ৰাখিব পাৰো। অৰ্থাৎ কৰ্মকৰ্তা, কাৰ্যসূচী, কাৰ্যালয় আৰু কোষ এই চাৰিটা মহামন্ত্ৰৰে যোৱা এবছৰ বিজেপিক শক্তিশালী কৰাৰ বাবে আমি কাম কৰিছিলো। দলৰ মুখ্যমন্ত্ৰী হিচাপে চৰকাৰ আৰু ৰাইজৰ কল্যাণৰ বাবে আৰু দলৰ এজন সাধাৰণ কাৰ্যকৰ্তা হিচাপে দলটোৰ শ্ৰীবৃদ্ধিৰ বাবে সকলোৱে নিৰলসভাৱে কাম কৰিছিলো। মই মিত্ৰদলৰ সভাপতিদ্বয়ক যেতিয়াই লগ পাওঁ, তেতিয়াই কওঁ যে আমি যিধৰণে আগবাঢ়িছো তাৰ মাজত যদি কিবা গঠনমূলক কাম প্ৰত্যক্ষ কৰিছে অনুকৰণ কৰক।'

মুখ্যমন্ত্ৰী ড° শৰ্মাই পাৰিষদ তথা অগপ কৰ্মীক দলটোক শক্তিশালী কৰিবলৈ আহ্বান জনায় কয়, 'আপোনালোকে জীৱনৰ অমূল্য সময়বোৰ পৰিয়ালক যিধৰণে দিয়ে নিজৰ দললকো দিবলৈ চেষ্টা কৰক। দলটো যেতিয়া শক্তিশালী হ'ব, তেতিয়া মোক আহি বিচাৰিব নালাগে যে কৰবাত মোক এখন আসন দিয়ক। তেতিয়া মই নিজেই ক'বলৈ বাধ্য হ'ম আপোনালোকে পাঁচখন লওক মই পাঁচখন ল'ম। এই পৰ্যায়লৈ অগপ আগবাঢ়ি যোৱাটো মই বিচাৰো। মই ভাবো সভাপতি বৰা আৰু কাৰ্যকৰী সভাপতি মহন্তৰ নেতৃত্বত আজি অগপই ঠন ধৰি উঠিছে। এশজনকৈ নিৰ্বাচিত প্ৰতিনিধি পৌৰ নিগম-নিকায়ত নিৰ্বাচিত কৰি পঠোৱাটো অগপৰ বাবে এক বৃহত্তম সাফল্য। এইসকলৰ নেতৃত্বত অগপৰ এই যাত্ৰা অনিৰুদ্ধ যাত্ৰা হওক আৰু অগপৰ যি আদৰ্শ, তাৰ মাজেৰে ৰাজ্যখনৰ এক শক্তিশালী ৰাজনৈতিক দল হিচাপে প্ৰতিষ্ঠা হওক, তাকেই কামনা কৰিছো।' উল্লেখ্য যে অগপৰ সভাপতি বৰাৰ সভাপতিত্বত তথা সাধাৰণ সম্পাদক মনোজ শইকীয়াই আঁত ধৰা অনুষ্ঠানত কাৰ্যকৰী সভাপতি মহন্তই আদৰণি ভাষণ পাঠ কৰে। সমান্তৰালভাৱে চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে দলটোৰ ভ্ৰাতৃ-ভগ্নী সংগঠনে মুখ্যমন্ত্ৰী ড° শৰ্মাক সম্বৰ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ সমান্তৰালভাৱে বিভিন্ন পৌৰসভাত জয়ী হোৱা অগপৰ ১০৬জন পাৰিষদক সম্বৰ্ধনা জনোৱা হয়।

ব্যক্তিগত বন্দনা-কৃতিত্ব ৰাইজৰ জয়গানতকৈ বহুত তলত

২০১৪ৰ পৰা বিজেপিৰ জয়ৰ কাৰণ দাঙি ধৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনৰ দিনকেইটাতহে নিৰ্বাচনৰ কথা পাতে আৰু নিৰ্বাচন শেষ হোৱাৰ দিনটোৰ পৰা লোকসেৱা তথা জনতাৰ কথা পাতে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সুদীৰ্ঘ জীৱনকালত এনেকুৱা এজন প্ৰধানমন্ত্ৰী লগ পাইছে যিয়ে লগ পালে ৰাজনীতিৰ কথা নাপাতে বুলি উল্লেখ কৰি কয়, 'প্ৰধানমন্ত্ৰী মোদীয়ে তোষামোদৰ কথা শুনিব নিবিচাৰে। প্ৰথম আৰু দ্বিতীয় সাক্ষাৎকাৰৰ মাজত আমি কিমান কাম আগবঢ়াই লৈ যাব পাৰিলো কেৱল মাত্ৰ খতিয়ান ল'ব বিচাৰে। ব্যক্তিগত বন্দনা, ব্যক্তিগত কৃতিত্ব ৰাইজৰ জয়গানতকৈ বহুত তলত। বিজয়ৰ প্ৰতিটো মুহূৰ্তই আমাক দায়িত্ব বুজায়। বিজয়ৰ প্ৰতিটো ক্ষণে আমাক দায়বদ্ধতা সোঁৱৰাই দিয়ে। মই আশাকৰো যে অগপ দলৰ নিৰ্বাচিত প্ৰতিনিধিসকলে আকৌ এবাৰ ৰাইজৰ সেৱাৰ বাবে নিজক সমৰ্পণ কৰিব আৰু ৰাইজৰ হৈ কাম কৰাৰ বাবে প্ৰতিটো ক্ষণ, প্ৰতিটো পলত নিজক সমৰ্পিত মনোভাৱেৰে দৃঢ় কৰি ৰাখিব। নিৰ্বাচনৰ প্ৰতিটো ফলাফলে আমাক স্পষ্টভাৱে বুজাইছে যে বৰ্তমানলৈকে আমি যি কৰিছো তাত ৰাইজ সন্তুষ্ট; কিন্তু ৰাইজৰ আশা-আকাংক্ষা আমাৰ পৰা বহু বেছি আছে। মই বিশ্বাস কৰো যোৱা এটা বছৰ যিধৰণে ৰাইজৰ আশা-আকাংক্ষাৰ কষটি শিলত আমি উত্তীৰ্ণ হ'ব পাৰিছো অহা চাৰিটা বছৰো আমি সেইধৰণে ৰাইজৰ সেৱাত নিজকে যাতে উৎসৰ্গা কৰিব পাৰো।'

ৰাইজে যেতিয়া বেছিকৈ মৰম দিয়ে তাৰ পৰাই ভয়ৰ আৰম্ভ হয়

শেহতীয়াকৈ ৰাজ্য চৰকাৰৰ প্ৰতি ৰাইজৰ সমৰ্থন আৰু মৰম বৃদ্ধি পোৱা বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। ৰাইজে যেতিয়া বেছিকৈ মৰম দিয়ে তাৰ পৰাই ভয়ৰ আৰম্ভ হয় বুলিও মন্তব্য কৰে। যোৱা এবছৰত অনুষ্ঠিত হোৱা উপ-নিৰ্বাচন, পৰিষদীয় নিৰ্বাচন, পৌৰসভা নিৰ্বাচনৰ ফলাফলসমূহ দাঙি ধৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে সৰ্বকালৰ বাবে এক নতুন ইতিহাস ৰচিবলৈ সক্ষম হয় বুলি মন্তব্য কৰি তেওঁ কয়, 'এই নিৰ্বাচন কেইটাত এটা ডাঙৰ দিশ আছিল যে যিবিলাক সম্প্ৰদায়ে বিধানসভা বা লোকসভা নিৰ্বাচনত আমাৰ পৰা অলপ আঁতৰি আছিল, তেনে বহুকেইটা জনগোষ্ঠীয়ে যোৱা নিৰ্বাচনকেইটাত বিজেপি মিত্ৰজোঁটক অকুণ্ঠ সমৰ্থন আগবঢ়াইছে। একপ্ৰকাৰ ক'বলৈ গ'লে ৰাজনৈতিকভাৱে যোৱা বছৰটো আছিল আমাৰ বাবে এক সোণোৱালী যাত্ৰা। অৰ্থাৎ যোৱা এটা বছৰত ক'তো ক্ষয়-ক্ষতি হোৱা নাছিল। দুই-এটা নতুন দললৈ জন্ম আৰু দুই-চাৰিটা দলে নিজৰ কৰ্মৰ ফলত কিছু ভোট লাভ কৰিছে যদিও আমাৰ দৃষ্টিত মিত্ৰজোঁটৰ ভোট বাঢ়িছে তথা মিত্ৰজোঁটৰ ভোটৰ অৱক্ষয় হোৱা নাই। বিৰোধী পক্ষৰ যি ভোট, সেই ভোট বিৰোধীৰ মাজতে বিভাজন হৈছে। অৰ্থাৎ একে ভোট কেতিয়াবা শিয়ালে খাইছে আৰু কেতিয়াবা হে'পাই খাইছে; কিন্তু বিজেপি মিত্ৰজোঁটৰ ভোট ক'তো ক্ষতি হোৱা নাই।' ভোটৰ লগে লগে বিজেপি মিত্ৰজোঁটৰ প্ৰতি ৰাজনৈতিক সমৰ্থন দ্ৰুতগতিত বৃদ্ধি হৈছে আৰু ৰাজনৈতিক প্ৰতিচ্ছবিৰ সন্মুখত ৰাজনৈতিক প্ৰতিদ্বন্দ্বী একপ্ৰকাৰ নোহোৱা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমস্যাটো ইয়াৰ পৰাই আৰম্ভ হয়, যেতিয়া এটা দল বা চৰকাৰক সৰ্বস্তৰত ৰাইজে স্বীকাৰ কৰি লয়। তাৰ পৰাই দায়বদ্ধতাৰ পাঠ আৰম্ভ হয়। প্ৰসংগক্ৰমে অগপৰ উদাহৰণ দাঙি ধৰি মুখ্যমন্ত্ৰী শৰ্মাই পুনৰ কয়, '১৯৮৫ত অগপক ৰাইজে অত্যন্ত আবেগ আৰু মৰমেৰে আদৰি লৈছিল; কিন্তু ১৯৯১ৰ নিৰ্বাচনত অগপ জিকিব পৰা নাছিল আৰু ১৯৯৬ত পুনৰ জিকিবলৈ সক্ষম হৈছিল। অৰ্থাৎ ৰাইজৰ মৰমেৰে দায়িত্ব বঢ়ায় আৰু সেই দায়িত্ব যেতিয়া মূৰ পাতি ল'ব নোৱাৰে, ৰাইজৰ মোহভংগও অতি সোনকালে আৰম্ভ হয়। ৰাজনীতিত যেতিয়া সমান গ্ৰাফত গৈ থাকো, চিন্তা কৰিবলগীয়া ক'তো নাই; কিন্তু ৰাইজে যেতিয়া বেছিকৈ মৰম দিয়ে তাৰ পৰাই ভয়ৰ আৰম্ভ হয়।'

ৰাইজৰ মৰম-আস্থা এদিন অভিশাপত পৰিৱৰ্তন হয়

'এখন চৰকাৰৰ পৰা ৰাইজে যি আশা কৰে, সেই আশা পূৰণ কৰিব পৰাকৈ আমি প্ৰস্তুত হৈছো নে নাই সেয়া লক্ষ্য ৰাখিব লাগিব আৰু সেই দিশত কাম কৰিব লাগিব।' আজি ভাষণত এইদৰেও মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। তেওঁ কয়, 'প্ৰস্তুতিৰ আৰম্ভ হয় সততা, ৰাইজৰ প্ৰতি থকা সমৰ্পিত মনোভাৱ আৰু ৰাইজৰ আশা-আকাংক্ষা পূৰ্ণ কৰাৰ দুৰ্বাৰ হেঁপাহৰ পৰা। এই তিনিওটা যেতিয়া অভাৱ হয়, তেতিয়া আমাৰ ভাষাত পাঁচটা বছৰৰ পাছত সন্মুখত ভৱিষ্যৎ নাথাকে। ৰাইজৰ এই মৰম আৰু আস্থা এদিন অভিশাপত পৰিৱৰ্তন হ'ব, এয়া ক'বৰাত নহয় ক'বৰাত আমি সকলোৱে তাৰ ভুক্তভোগী। কিছুমান ব্যক্তিয়ে ৰাজনীতি কৰিছে, কেতিয়াবা ক্ষমতাৰ উচ্চ শিখৰত গৈছে আৰু কেতিয়াবা সেই ক্ষমতাৰ উচ্চ শিখৰৰ পৰা এইধৰণে স্খলিত হৈছে। তেওঁৰ নামো ইতিহাসে ল'ব বিচৰা নাই আৰু এনেকুৱা বহু উদাহৰণ দেশৰ ৰাজনীতিত আছে। আমি বিজয়ৰ মুহূৰ্তত ৰাইজৰ প্ৰতিবিম্ব আমাৰ সন্মুখত দেখা পাব লাগিব। জনতাৰ আশা-আকাংক্ষাক সৰোগত কৰি ইয়াক বাস্তৱায়িত কৰাৰ সংকল্প ল'ব লাগিব।

অস্ত্ৰ-শস্ত্ৰসহ ১৩জন আনলা

এক পৃষ্ঠাৰ পৰা কাৰ্যকলাপ চলাই গৈছিল। বিশেষকৈ গোলাঘাট আৰু কাৰ্বি আংলং জিলাত এইসকল সদস্য সক্ৰিয় হৈ আছিল। আজি সেই সংগঠনৰ ১৩জন সদস্যই বোকাজান আৰক্ষী থানাত উচ্চপদস্থ আৰক্ষী বিষয়াৰ উপস্থিতিত অস্ত্ৰ জমা দি আত্মসমৰ্পণ কৰে। আজি এই আত্মসমৰ্পণ অনুষ্ঠানত অসম আৰক্ষীৰ আৰক্ষী উপ-মহাপৰিদৰ্শক সত্যৰাজ হাজৰিকা, কাৰ্বি আংলঙৰ আৰক্ষী অধীক্ষক পুষ্পৰাজ সিং আৰু অসম ৰাইফলছৰ বিগ্ৰেডিয়েৰ শশীন্দৰ তিৱাৰী উপস্থিত থাকে। আত্মসমৰ্পণ কৰা সদস্যসকলে চাৰিটা একে-৪৭, পাঁচটা পিষ্টল আৰু ৩৬ জাঁই সক্ৰিয় গুলি আৰক্ষীৰ ওচৰত জমা দিয়ে। আৰক্ষীৰ সূত্ৰই জনোৱা অনুসৰি, অসম আৰক্ষী আৰু অসম ৰাইফলছৰ যৌথ প্ৰচেষ্টাত এইসকল যুৱকক মূল সুঁতিলৈ ঘূৰাই অনাটো সক্ষম হয়। ইপিনে, সংবাদ মাধ্যমৰ আগত আত্মসমৰ্পণ কৰা আনলা সদস্যসকলে কয় যে চৰকাৰৰ শান্তি প্ৰক্ৰিয়াক আদৰণি জনায়ে তেওঁলোক মূল সুঁতিলৈ ঘূৰি আহিছে। আনহাতে, উপস্থিত থকা আৰক্ষী উপ-মহাপৰিদৰ্শকজনে কয় যে আজিৰ এই সফলতাই ৰাজ্যখনলৈ অধিক শান্তি ঘূৰাই আনিব।

বিভিন্ন কাৰ্যসূচী লৈ অসমত

এক পৃষ্ঠাৰ পৰা বিমানকোঠত বিপুল আদৰণি জনায়। কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ দুদিনীয়া অসম ভ্ৰমণৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'অতিথি আমাৰ বাবে দেৱ ভৱ। অতিথিৰ পৰা আমি একো আশা নকৰো যে তেওঁ আহি আমাক কিবা দিব। তেওঁক আমি কি ধৰণে আদৰণি জনাব পাৰো, কি ধৰণে মৰম-চেনেহেৰে ওপচাই অসমৰ পৰা পঠাব পাৰো সেইটোৱে আমাৰ লক্ষ্য। চৰকাৰৰ এবছৰ পূৰ্ণ হোৱা আমাৰ বাবে অতি পৱিত্ৰ মুহূৰ্ত আৰু তেওঁ অসমলৈ আহিছে। তেওঁক আমি আদৰ-অভ্যৰ্থনা জনাবৰ বাবে সীমিত যি ক্ষমতা তাৰে ব্যৱস্থা কৰা হৈছে।' উল্লেখ্য যে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ এই ভ্ৰমণৰ কাৰ্যসূচীসমূহ সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ কয়, 'কাইলৈ পুৱা গৃহমন্ত্ৰীয়ে মানকাচৰত উপস্থিত হৈ ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন কৰিব। সীমান্তৰ কাঁইটীয়া তাঁৰৰ ব্যৱস্থা আদি পৰ্যবেক্ষণ কৰিব। ইয়াৰ পাছতে তামুলপুৰত বিএছএফৰ এক অনুষ্ঠানত যোগদান কৰিব। সমান্তৰালভাৱে নতুনকৈ লোকপিয়লৰ জৰীপ আৰম্ভ হোৱাৰ প্ৰাক্ক্ষণত আমিনগাঁৱত জৰীপৰ এটা কাৰ্যালয় উদ্বোধন কৰিব। গধূলি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নিৰ্মাণ কৰি উলিওৱা অত্যাধুনিক নতুন ছুপাৰ স্পেচিয়েলিটী হাস্পতাল অসমৰ জনতাৰ বাবে উৎসৰ্গিত কৰিব।'

ইফালে, কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ দ্বিতীয় দিনৰ কাৰ্যসূচীৰ সন্দৰ্ভত ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কয় যে অসম আৰক্ষীয়ে দেশৰ ৰাষ্ট্ৰপতিৰ নিচান পাবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰপতিৰ হৈ গৃহমন্ত্ৰীয়ে ১০ মে'ৰ পুৱা এটা আকৰ্ষণীয় পেৰেডৰ মাজেৰে সেই নিচান অসম আৰক্ষীক প্ৰদান কৰিব। ১.৩০ বজাত চৰকাৰৰ বৰ্ষপূৰ্তি উপলক্ষে এখন জনসভাত অংশগ্ৰহণ কৰিব বুলি তেওঁ কয়। উক্ত দিনাই গৃহমন্ত্ৰী শ্বাহে সন্ধিয়া ছয় বজাত মহানগৰীত নিৰ্মাণ হ'বলগীয়া পাঁচ হেজাৰ আসনযুক্ত এটা প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'এই প্ৰেক্ষাগৃহৰ উপৰি গুৱাহাটীৰ আৰক্ষী চাউনিৰ নতুনকৈ নিৰ্মাণ, গুৱাহাটী উপায়ুক্ত কাৰ্যালয় নিৰ্মাণ, আৰক্ষী আয়ুক্তালয়ৰ কাৰ্যালয় নিৰ্মাণ আৰু গুৱাহাটীত নিৰ্মাণ হ'বলগীয়া ১৬ মহলাৰ সংহত সঞ্চালকালয়ৰ আধাৰশিলা স্থাপন কৰিব কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে। এই সকলো কাৰ্যসূচীৰ অন্তত বিধায়ক-মন্ত্ৰীসকলৰ স'তে তেওঁ নৈশ আহাৰ গ্ৰহণ কৰি দিল্লীলৈ উভতিব।'

ৰাজনৈতিক পট পৰিৱৰ্তনৰ

এক পৃষ্ঠাৰ পৰা পতাৰ যো-জা চলাইছে বুলি চলি থকা ব্যাপক চৰ্চাই বিটিচি অঞ্চলৰ ৰাজনৈতিক বতাহ গৰম কৰি তুলিছে। কোকৰাঝাৰত বিজেপিৰ কাৰ্যবাহী সদস্য গৌতম দাসে এক সংবাদমেলত এই সম্পৰ্কত কয় যে প্ৰমোদ বড়োৰ নেতৃত্বত বিটিআৰত ইউপিপিএল, বিজেপি আৰু জিএছপিৰ পৰিষদ শক্তিশালীভাৱে চলি আছে। বিটিআৰত এক অস্থিৰ ৰাজনৈতিক বাতাবৰণ সৃষ্টিৰ উদ্দ

■ তামুলপুৰত কাউলীত পথ নিৰ্মাণত অনিয়ম, ৰাইজৰ প্ৰতিবাদ

নক্সা অবিহনেই ঠিকাদাৰে নিৰ্মাণ কৰিলে পথ

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ৮ মে' ঃ তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ কাউলীত এটি পথ নিৰ্মাণত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ উত্থাপিত হৈছে । পথৰ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰে কোনো নক্সা অবিহনেই কৰি কাম কৰি থকাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। কাউলীৰ চন্দনপুৰ-চন্দ্ৰনগৰ সংযোগী লোক নিৰ্মাণ বিভাগৰ পথত গুড উইল আঁচনিৰ অধীনত নিৰ্মাণ কৰি থকা পথৰ কাম অতি নিম্নমানৰ সমগ্ৰীৰে নিৰ্মাণ কৰি থকাত কালি পুৱা স্থানীয় লোকে সেই স্থানত উপস্থিত হৈ পথটোৰ নিৰ্মাণৰ কামৰ বিতং তথ্য জানিব বিচাৰে। পথৰ নিৰ্মাণৰ দায়িত্বত থকা লোককেইজনে স্থানীয় ৰাইজক উক্ত তথ্য দিব নোৱাৰী বহু আভুৱা ভৰা মন্তব্য কৰাৰ লগতে ঠিকাদাৰৰ হাতত পথ নিৰ্মাণৰ কোনো নক্সা নাই বুলি মন্তব্য কৰাত জাঙুৰ খাই উঠে অঞ্চলবাসী। লগে লগে অঞ্চলটোৰ লোকে পথ নিৰ্মাণৰ ঠিকা লাভ কৰা ঠিকাদাৰজনক ফোনযোগে পথৰ পৰিকল্পনা নক্সা বিচৰাত তেওঁৰ হাততো নাই বুলি উল্লেখ কৰে। উল্লেখ্য যে পথটোৰ কাষে কাষে পকী বাম অতি নিম্নমানৰ কৰাত এতিয়াই ভাঙিব যাব ধৰাৰ অভিযোগ উত্থাপন কৰিছে। প্ৰায় ২৬০০ মিটাৰ দৈৰ্ঘ্য জোৰা উক্ত পথৰ নক্সা ঠিকাদাৰে ৰাইজক প্ৰদান নকৰা পৰ্যন্ত ৰাইজে বন্ধ কৰি দিছে পথৰ নিৰ্মাণৰ কাম-কাজ। উল্লেখ যে বহু বছৰ পাছত উক্ত জৰাজীৰ্ণ পথটোৰ কাম আৰম্ভ হোৱাত অঞ্চলবাসীয়ে আনন্দিত হৈছিল যদিও বৰ্তমান পথটোৰ নিৰ্মাণৰ কামত যথেষ্ট অনিয়মক লৈ ক্ষোভ প্ৰকাশ কৰিছে। তদুপৰি চৰকাৰৰ এনে এটা বৃহৎ আঁচনিৰ কোনো পৰিকল্পনা নক্সা অবিহনে কিদৰে পথ নিৰ্মাণ কৰিছে এয়া ডাঙৰ প্ৰশ্নৰ সৃষ্টি হৈছে। উল্লেখ্য যে নিৰ্মাণৰ আৰম্ভণিৰ সময়ত একাংশ লোকৰ দাবীত ঠিকাদাৰজনে পথটোৰ ৭০ মিটাৰ পথ অতিৰিক্তভাৱে কাম কৰিছিল। কিন্তু আজি পথ নিৰ্মাণৰ অনিয়মৰ বাতৰি সংগ্ৰহ কৰিবলৈ সেই স্থানত সাংবাদিকৰ উপস্থিতিৰ উমান পাই ঠিকাদাৰগৰাকীয়ে কিছু লোকৰ আগত বাতৰি প্ৰকাশ হ'লে সেই অতিৰিক্ত পথটো ভাঙি দিয়া হ'ব ধমক দিয়ে।

১৫ মে'ৰ পৰা কলিয়াবৰ মহাবিদ্যালয়ৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তী উৎসৱ

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ৮ মে' ঃ কলিয়াবৰৰ উচ্চ শিক্ষাৰ বাটকটীয়া কলিয়াবৰ মহাবিদ্যালয়ে অতিক্ৰম কৰিলে গৌৰৱময় সোণালী জয়ন্তী বৰ্ষ। এতিয়া উদুলি-মুদুলি পৰিৱেশ বিৰাজ কৰিছে কলিয়াবৰ মহাবিদ্যালয়ত। ১৭ মে'ৰ পৰা তিনিদিনীয়াকৈ মহাবিদ্যালয়খনত অনুষ্ঠিত হ'ব সোণালী জয়ন্তী সামৰণি অনুষ্ঠান। সেই উপলক্ষে প্ৰস্তুতি চলাইছে কৰ্তৃপক্ষ তথা সোণালী জয়ন্তী উদ্‌যাপন সমিতিয়ে। উল্লেখ্য যে ২০১৯তে ৫০ বছৰ অতিক্ৰম কৰা কলিয়াবৰৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠানৰ সোণালী জয়ন্তী উদ্‌যাপনৰ পূৰ্বে দিহা কৰিছিল যদিও সেই সময়ৰ 'কা' আন্দোলনৰ পৰিৱেশ আৰু ক'ভিড পৰিস্থিতিৰ বাবে বাতিল কৰা হৈছিল। সেয়ে সামৰণি অনুষ্ঠান সময়তকৈ পলমকৈ অনুষ্ঠিত কৰিব লগা হৈছে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনকে ধৰি অন্যান্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিবৰ বাবে এতিয়া ব্যাপক প্ৰস্তুত চলা পৰিলক্ষিত হৈছে কলিয়াবৰ মহাবিদ্যালয়ত। এক সংবাদমেল যোগে সোণালী জয়ন্তী উৎসৱৰ বিষয়ববীয়া তথা মহাবিদ্যালয়খনৰ অধ্যক্ষই জনালে কাৰ্যসূচীৰ কথা। সোণালী জয়ন্তীৰ কাৰ্যসূচীত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ কথা উল্লেখ কৰে অধ্যক্ষই। লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিয়েও স্থান পাব বৰ্ণাঢ্য কাৰ্যসূচীত। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ উপস্থিতি কামনা কৰিছে মহাবিদ্যালয় কৰ্তৃপক্ষই।

ৰাণীত মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ চেক বিতৰণ

অগ্ৰদূত বাৰ্তা

আজাৰা, ৮ মে' ঃ ৰাজ্য চৰকাৰৰ মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাইৰ আঁচনিৰ জৰিয়তে কালি ৰাণী উন্নয়ন খণ্ডৰ ১৫১৭ গৰাকী হিতাধিকাৰীৰ মাজত পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই চেক বিতৰণ কৰে। এই উদ্দেশ্যে ৰাণী উন্নয়ন খণ্ডৰ সভাগৃহত ৰাণী আঞ্চলিক পঞ্চায়তৰ সভাপতি পৰমেশ্বৰ বৰ্মনৰ সভাপতিত্বত এক সভা অনুষ্ঠিত হয়। সভাত ৰাণী উন্নয়ন খণ্ডৰ বিভিন্ন প্ৰান্তৰ মাইক্ৰ' ফাইনেন্সৰ ঋণ লোৱা হিতাধিকাৰীসকলৰ মাজত বিধায়কজনে চেক বিতৰণ কৰে। চেক বিতৰণ কৰি বিধায়ক কলিতাই হিতাধিকাৰীসকলক চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ মহিলাসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ মহিলাসকলক স্ব-নিৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত চৰকাৰী আঁচনিৰ সঠিক ব্যৱহাৰ কৰিবলৈও আহ্বান জনায়। সভাত আজাৰা ৰাজহ চক্ৰ বিষয়া প্ৰিয়াংশু ভৰদ্বাজে অংশগ্ৰহণ কৰি মহিলা হিতাধিকাৰীসকলক চৰকাৰৰ আঁচনিসমূহ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে। উক্ত সভাতে পি এম এই ৰাই আঁচনিৰ ৫০৩গৰাকী হিতাধিকাৰীৰ মাজত অনুমোদন পত্ৰ বিতৰণ কৰে। সভাত ৰাণী উন্নয়ন খণ্ডৰ ভাৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া জয়ন্ত কলিতা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ভিজিলেন্স আৰু মণিটৰিং কমিটীৰ সদস্য সুভাষ শৰ্মা, কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়া, ৰাণী জিলা পৰিষদৰ প্ৰাক্তন সদস্য ৰবীন দৈমাৰীকে আদি কৰি কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

কচুগাঁৰত শিক্ষাৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

দোতমা, ৮ মে' ঃ কালি গোসাঁইগাঁও মহকুমাৰ কচুগাঁও ছোৱালী হাইস্কুলত সদৌ চাওতাল ছাত্ৰ সন্থাৰ কচুগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত শিক্ষাৰ ওপৰত সজাগতা সভা অনুষ্ঠিত হয়। কচুগাঁও ছোৱালী এমই আৰু হাইস্কুলত গোসাঁইগাঁও জিলা সভাপতি ৰমেশ মুৰ্মুৱে কয় যে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱন গঢ় দিয়াত শিক্ষাই ভৱিষ্যতৰ মূল চাবি কাঠি। সেইবাবে সকলো ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আনহাতে, শিক্ষাৰ লগতে কৌশলগত শিক্ষা আহৰণ কৰি নিজ ৰাজ্যতে কেনেদৰে সংস্থাপনৰ বাট মুকলি কৰিব পাৰি সেই সন্দৰ্ভত ছাত্ৰীসকলৰ আগত ভাষণ আগবঢ়ায় তেওঁলোকৰ মনত উৎসাহ যোগায় কচুগাঁও ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক সঞ্জয় গোস্বামীয়ে। বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা আধৰুৱা কৰি বহিঃৰাজ্যত কামৰ সন্ধানত যোৱাৰ লগতে আন আন বিভিন্ন ধৰণৰ সমস্যাৰ লগতে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ জীৱন গঢ়াৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায় সদৌ চাওতাল ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিমান চাকু সৰেনে। উক্ত সভাত কচুগাঁও আঞ্চলিক সভাপতি চুনকা মুৰ্মু, সাধাৰণ সম্পাদক ব্ৰেইনথিওছ বেছৰা, গুৰুফেলা শাখা সমিতিৰ সাধাৰণ সম্পাদক কাৰ্তিক হেম্ব্ৰম আদিকে ধৰি গোসাঁইগাঁও আঞ্চলিকৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

মিৰ্জা বৰকুছি আঞ্চলিক ব'হাগী উৎসৱৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

পলাশবাৰী, ৮ মে' ঃ মিৰ্জাৰ বৰকুছি আঞ্চলিক ব'হাগী উৎসৱ অহা ১৪ মে'ৰ পৰা সোণালী জয়ন্তী বৰ্ষ হিচাপে দুদিনীয়াকৈ বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠানৰে অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ১৪ মে'ত পুৱা বিহুৰ পতাকা উত্তোলন, ছহিদ বেদীত মাল্যাৰ্পণ, সোণালী জয়ন্তী উপলক্ষে বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা ৫০খন বিহুৰ পতাকা উত্তোলন, বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হ'ব। দিনৰ ভাগত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰ পাছতে বিশিষ্ট কবি হীৰেণ ভট্টাচাৰ্যৰ 'মোৰ দেশ' কবিতাটোৰ আধাৰত কবিতা আবৃত্তি প্ৰতিযোগিতা। আবেলি কুইজ প্ৰতিযোগিতা, সন্ধিয়া সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব বিশিষ্ট কৌতুক অভিনেতা অতুল পাচনীয়ে, বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট কবি-সমাজ সেৱক বনজিৎ তালুকদাৰ, সমাজসেৱক হিমাংশু শেখৰ বৈশ্য, নাৰায়ণ চৌধুৰীয়ে। নিশা নিমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীত-মাত পৰিৱেশন হ'ব। সেইদৰে ১৫ মে'ত পুৱা বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা বৃক্ষৰোপণ কাৰ্যসূচী, দিনৰ ভাগত পুৰুষ-মহিলা উভয়ৰে বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা। আবেলি উদ্‌যাপন সমিতিৰ সভাপতি অতুল মালীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাখনত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব প্ৰাক্তন মন্ত্ৰী যতীন মালীয়ে। সভাত বিশিষ্ট অতিথিৰূপে প্ৰাক্তন প্ৰধান শিক্ষক মায়াৰাম দাস, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক নিৰোদ কুমাৰ দাস, বিশিষ্ট সমাজসেৱক অশোক দেৱগোস্বামী, প্ৰাক্তন অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী, ড° ৰাজু বৰদলৈ, কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নৰেন দাস, পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ধ্ৰুৱজ্যোতি পাঠক, পলাশবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জীৱেন্দ্ৰ ব্ৰহ্মা উপস্থিত থাকিব। আবেলি মুকলি ভেশচন প্ৰতিযোগিতা, সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই, বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট সমাজসেৱক ভাস্কৰ কলিতা, জয়দেৱ গুপ্তা, দিলীপ চেৰাফে।

বৰপেটাত ১৪ মে'ত ৰাষ্ট্ৰীয় লোক আদালত

বিশেষ সংবাদদাতা

বৰপেটা, ৮ মে' ঃ ৰাজ্যৰ অন্যান্য অংশৰ লগতে বৰপেটা জিলাতো অহা ১৪ মে'ৰ দিনা ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। এই ৰাষ্ট্ৰীয় লোক আদালত বৰপেটাৰ জিলা তথা সত্ৰ ন্যায়াধীশৰ আদালত প্ৰাংগণ, পাৰিবাৰিক আদালত প্ৰাংগণ, মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তি ন্যায়াধিকৰণ আৰু বৰপেটা মুখ্য ন্যায়িক দণ্ডাধীশ অধীনৰ সমূহ আদালত তথা কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। বি এছ এন এল, এ পি ডি চি এল আৰু বেংকসমূহৰ অনাদায় ঋণ তথা বিদ্যুৎ, দূৰভাষ সেৱাৰ বিল সম্পৰ্কীয় ওজৰ-আপত্তি সমূহো ইয়াতেই নিষ্পত্তিৰকৰণৰ ব্যৱস্থা লোৱা হ'ব বুলি জানিব পৰা গৈছে। এই ক্ষেত্ৰত সকলো পক্ষই সম্পূৰ্ণ ক'ভিড বিধি মানি চলিব লাগিব।

গন্ধিয়াত 'নবৌৰ মছলা' শীৰ্ষক ক্ষুদ্ৰ উদ্যোগ মুকলি

অগ্ৰদূত বাৰ্তা

চামতা, ৮ মে' ঃ উদ্যোগ ক্ষেত্ৰখনলৈ অসমীয়া যুৱকৰ অনীহা থকাৰ কথা সততে চৰ্চিত হোৱাৰ বিপৰীতে জ্যোতিষ চৰ্চাৰ প্ৰাণকেন্দ্ৰ নলবাৰী জিলাৰ গন্ধিয়াত যোৱা ছয় মে'ত এটি মছলা উদ্যোগ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। উল্লেখ্য যে গন্ধিয়া অঞ্চলৰ সৰবৰহী ব্যক্তি অমল শৰ্মাই নিজৰ একান্ত প্ৰচেষ্টাত গঢ়ি তোলা 'নবৌৰ মছলা' নামৰ ক্ষুদ্ৰ উদ্যোগটো যোৱা ছয় মে'ত আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে পশ্চিম চামতা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক শ্ৰীকান্ত শৰ্মাই।

■ গুণাগুণ ৰক্ষাত অধিক মনযোগ দিবলৈ আহ্বান

এই উপলক্ষে, গন্ধিয়াৰ কালিমা এন্টাৰপ্ৰাইজৰ উদ্যোগত দিনৰ প্ৰায় ১১-৩০ বজাত সম্পন্ন হোৱা অনুষ্ঠানত উদ্যোগটো মুকলি কৰি অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক শৰ্মাই উদ্যোগটোৰ দ্বাৰা উৎপাদন হ'ব লগা বিভিন্ন প্ৰকাৰৰ মছলাৰ গুণাগুণ ৰক্ষাত অধিক মনযোগ দিবলৈ কৰ্তৃপক্ষক আহ্বান জনায়। আনহাতে, উক্ত অনুষ্ঠানত নলবাৰীৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সম্প্ৰসাৰণ বিষয়া দীপেন মেনাই আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি গ্ৰাম্য অৰ্থনীতিত এনে ধৰণৰ ক্ষুদ্ৰ উদ্যোগৰ প্ৰয়োজন আৰু সম্ভাৱনা সন্দৰ্ভত বিস্তৃত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত স্থানীয় সমাজসেৱী চম্বল শৰ্মা, গন্ধিয়া গাঁও উন্নয়ন সমিতিৰ সভাপতি, সম্পাদক ক্ৰমে চন্দন শৰ্মা, প্ৰতুল ভট্টাচাৰ্য, জ্যোতিষী ঈশ্বৰ শৰ্মা, সাংবাদিক চন্দন তালুকদাৰ, সমাজসেৱী ৰুবী দেৱী, জুতিকা শৰ্মা, গীতাঞ্জলি দেৱী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ফলঙনিত দুদিনীয়াকৈ বসন্ত উৎসৱৰ আয়োজন

■ একাংকিকা নাটক প্ৰতিযোগিতাৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

নুমলীগড়, ৮ মে' ঃ মৰঙিৰ অগ্ৰণী স্বেচ্ছাসেৱী সংস্থা ফলঙনি অমৰজ্যোতি যুৱ সংঘৰ উদ্যোগত তথা স্থানীয় ৰাইজৰ সহযোগত অহা ১৩ আৰু ১৪ মে'ত বৰ্ণাঢ্য কাৰ্যসূচীৰে ষষ্ঠ দ্বি-বাৰ্ষিক বসন্ত উৎসৱৰ আয়োজন কৰা হৈছে। যুৱ সংঘৰ বাকৰিত অনুষ্ঠিতব্য উৎসৱৰ নিয়মিত কাৰ্যসূচীৰ লগতে চিত্ৰাংকন, ঠাইতে লিখা ৰচনা, বিহুগীত, ঢোলবাদন, পেঁপা, গগনা, বাঁহী বাদন, সৰু বিহুৱতী, সৃষ্টিশীল নৃত্য, জেং বিহু, হুঁচৰি আৰু একাংকিকা নাটক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে প্ৰতিটো প্ৰতিযোগিতাৰ বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। ইয়াৰে হুঁচৰিৰ প্ৰথম দলক ১৫,০০০, দ্বিতীয় দলক ১০,০০০ আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। ১৪ মে'ত অনুষ্ঠিত হ'ব লগা একাংকিকা নাটকৰ প্ৰথম দলক ১৫,০০০, দ্বিতীয় দলক ১০,০০০ টকা আৰু শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠ পৰিচালক আদিকো নগদ ধনেৰে পুৰস্কৃত কৰাৰ কথা উল্লেখ কৰে আয়োজক সমিতিয়ে। উল্লেখ্য যে এসময়ত একাংক নাট প্ৰতিযোগিতা বিহু সন্মিলনসমূহৰ অৱধাৰিত কাৰ্যসূচী আছিল যদিও পাছলৈ নাট প্ৰতিযোগিতাৰ পৰিৱৰ্তে প্ৰতিষ্ঠিত শিল্পীৰ গীতৰ সন্ধিয়া অধিক জনপ্ৰিয় হৈ পৰে। ফলশ্ৰুতিত স্তিমিত হৈ পৰে নাট্যচৰ্চা। পুনৰ নাট্যচৰ্চাক নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰাৰ লক্ষ্যৰে অমৰজ্যোতি যুৱ সংঘই প্ৰথমবাৰৰ বাবে একাংকিকা নাট প্ৰতিযোগিতাৰ আয়োজন কৰা বুলি বিবৃতিযোগে সদৰী কৰিছে। আগ্ৰহী দলসমূহৰ লগতে সকলো প্ৰতিযোগীক ৯৮৫৪১১০১০৮, ৮৬৩৮১৪৮৮৮০, ৯৪০১৯১১৩০৪, ৮৬৩৮৯৬৩৮০১ অথবা ৭০০২৭৪৭৪২৯ নম্বৰত অহা ১২ মে'ৰ ভিতৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

ছহিদ মুকুন্দ কাকতিৰ গাঁৱত তথ্যচিত্ৰ নিৰ্মাণৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

বৰভাগ, ৮ মে ' ঃ ৪২ৰ ছহিদ বৰভাগৰ সোনকানিত জন্মগ্ৰহণ কৰা ছহিদ মুকুন্দ কাকতিৰ জীৱন ভিত্তিত এখন তথ্যচিত্ৰ নিৰ্মাণৰ বাবে যোৱা ছয় মে'ত বৰভাগত উপস্থিত হয় গুৱাহাটীৰ দূৰদৰ্শন কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰী। সিদিনা বৰভাগৰ ছহিদ মুকুন্দ কাকতি স্মৃতি ৰক্ষা সমিতিৰ সহযোগত দূৰদৰ্শন কেন্দ্ৰৰ কৰ্মচাৰীসকলে অমৰ ছহিদগৰাকীৰ নিজ গাঁও সোনকানিৰ ঐতিহাসিক ঠাইসমূহ দৃশ্য গ্ৰহণ কৰাৰ লগতে ছহিদগৰাকীৰ আটকধুনীয়াকৈ থকা প্ৰতিমূৰ্তিসমূহৰ দৃশ্য গ্ৰহণ কৰে। উল্লেখ্য যে দূৰদৰ্শন কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকলক সহযোগ কৰে ছহিদ মুকুন্দ কাকতি স্মৃতি ৰক্ষা সমিতিৰ সভাপতি-সম্পাদক প্ৰমুখ্যে সদস্যসকলে।

বৰপথাৰত কেঁক'সাপ উদ্ধাৰ

বৰপথাৰ, ৮ মে'ঃ গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ অন্তৰ্গত বৰপথাৰ নগৰৰ পৰা উদ্ধাৰ কৰা হৈছে এডাল কেঁক'সাপ। বৰপথাৰ পৌৰসভাৰ দুই নম্বৰ ৱাৰ্ডৰ বাসিন্দা তথা পৌৰপতি সঞ্জীৱ বৰুৱাৰ বাসগৃহৰ পৰা আজি কেঁক'সাপডাল উদ্ধাৰ কৰা হয়। দীৰ্ঘদিনৰ পৰা ঘৰৰ চিলিঙত কেঁক'সাপে বাহ লোৱাৰ কথা জানিবলৈ দিয়ে বৰপথাৰ পৌৰসভাৰ পৌৰপতিজনে। যোৱা ছয় মে'ৰ নিশা কেঁক'সাপডাল চিলিঙৰ পৰা নামি বাথৰুমৰ সন্মুখত ৰৈ থকা দেখা পাই ভয়তে চিএৰ-বাখৰ কৰে পৌৰপতিজনৰ পত্নীয়ে। উপায়ান্তৰলৈ পৌৰপতি বৰুৱাই এখন গামোচাৰে মেৰিয়াই কেঁক'সাপটো ধৰিবলৈ সক্ষম হয়। নিশাটো পৌৰপতিজন ঘৰতে ৰাখি কালি বৰপথাৰ খণ্ড বন বিষয়াই কেক'ডাল উদ্ধাৰ কৰি আনি কাৰ্যালয়ৰ চৌহদৰ ভিতৰত থকা এজোপা গছত মেলি দিয়ে। কেঁক'সাপডালৰ ওজন প্ৰায় ১০০ গ্ৰাম।

লংকাত 'সমাজত নিচাযুক্ত দ্ৰব্যৰ পৰিত্ৰাণৰ উপায়' সন্দৰ্ভত সজাগতা সভা

অগ্ৰদূত বাৰ্তা

লংকা, ৮ মে' ঃ লংকা আৰক্ষী থানাৰ সভাগৃহত কালি আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীৰ উদ্যোগত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। লংকা আৰক্ষী থানাৰ পৰিচালনা সমিতিৰ সভাপতি জগদীশ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত হোজাই মহিলা মঞ্চৰ, অসম লেখিকা সংস্থা, ব্ৰাহ্মণ সমাজ আদিৰ বিভিন্ন দায়িত্বত থকা সমাজকৰ্মী নিবেদিতা শৰ্মা, অধিবক্তা জোনমনি ডেকা, অমৰজ্যোতি শইকীয়াই, লংকা সাংবাদিক সন্থাৰ সভাপতি মুকুল গোস্বামী, সম্পাদক মানস প্ৰতিম তামুলী ফুকনৰ লগতে বহুকেইজন সাংবাদিক, সমাজকৰ্মী, গাঁওৰক্ষী বাহিনীৰ লগতে আৰক্ষী প্ৰশাসনৰ লোকৰ উপস্থিতিত অনুষ্ঠিত হয়। সভাত লংকা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দুৰ্গা কিংকৰ শৰ্মাই সভাৰ আঁত ধৰি সমাজৰ নিচাযুক্ত দ্ৰব্য সেৱন বন্ধ কৰাৰ লগতে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ সমাজৰ সকলো শ্ৰেণীৰ লোকক সজাগ হ'বলৈ আহ্বান জনোৱাৰ উপৰি ৰাইজক আৰক্ষী প্ৰশাসনক সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। সভাত গাঁওৰক্ষীবিহীন চক্ৰ সংগঠক মইনুদ্দিন আহমেদ, সাংবাদিক সন্থাৰ সভাপতি মুকুল গোস্বামী, নিবেদিতা শৰ্মা, অধিবক্তা জোনমনি ডেকা, অমৰজ্যোতি শইকীয়াই আদি কৰি ভালেমান লোকে নিচাযুক্ত দ্ৰব্য ভাং, মদ, কানি, ড্ৰাগছ আদি ৰোধৰ ক্ষেত্ৰত সকলো সচেতন হোৱা প্ৰয়োজন আৰু দায়িত্বৰ লগতে নৱপ্ৰজন্মৰ ভৱিষ্যৎ সুৰক্ষাৰ উপৰি সমাজ তথা দেশৰ প্ৰতি লক্ষ্য ৰাখি নিচাজাতীয় দ্ৰব্য প্ৰচলন আৰু পৰিত্ৰাণৰ ক্ষেত্ৰত বিভিন্ন কৌশল আৰু উপায় সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰে।

আজাৰা হাটুৱাপাৰাত মনসা মন্দিৰ নিৰ্মাণৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

আজাৰা, ৮ মে' ঃ আজাৰা হাটুৱাপাৰাত থকা ৰূপালী জয়ন্তীবৰ্ষ অতিক্ৰম কৰা শ্ৰীশ্ৰী মা মনসা মন্দিৰৰ যোৱা ছয় মে'ত নতুনকৈ মন্দিৰ নিৰ্মাণৰ আৰম্ভ কৰা হয়। আজাৰা আঞ্চলিক শ্ৰীশ্ৰী মা মনসা মন্দিৰ নিৰ্মাণ সমিতিৰ উদ্যোগত এই উদ্দেশ্যে আয়োজিত মাংগলিক অনুষ্ঠানত ভাৰতীয় ৰাজহ সেৱা বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া ভবেন চন্দ্ৰ মেধিয়ে আধাৰশিলা স্থাপন কৰে। মন্দিৰ নিৰ্মাণ সমিতিৰ অন্যতম সম্পাদক পূৰ্ণ ৰাম দাসে আঁত ধৰা অনুষ্ঠানত কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে আজাৰা আঞ্চলিক শ্ৰীশ্ৰী মা মনসা দেৱী মন্দিৰ নিৰ্মাণৰ বাবে ইতিমধ্যে সত্যনাৰায়ণ নাথক সভাপতি, মনোৰঞ্জন মেধিক কাৰ্যকৰী সভাপতি, সুৰেশ কুমাৰক উপ-সভাপতি আৰু সুৰেন্দ্ৰ মজুমদাৰ, পূৰ্ণ ৰাম দাস, মাণিক চন্দ্ৰ মেধি, দীপক বৈশ্য, ধৰ্মেশ্বৰ মহন্ত, নিতুল দাসক সম্পাদক মণ্ডলী আৰু খগেন চন্দ্ৰ দাসক কোষাধ্যক্ষ হিচাপে লৈ এখন নিৰ্মাণ সমিতি গঠন কৰা হৈছে।

ৰাষ্ট্ৰপতি 'কালাৰ্ছ' সন্মান উপলক্ষে নগাঁও আৰক্ষীৰ কাৰ্যসূচী

বিশেষ সংবাদদাতা

নগাঁও, ৮ মে' ঃ দেশৰ অন্যতম সামৰিক সন্মান ৰাষ্ট্ৰপতি 'কালাৰ্ছ' সন্মান লাভ কৰাৰ পৰিপ্ৰেক্ষিতত কালি নগাঁও আৰক্ষীয়ে পুৱা ছয় বজাৰ পৰা দিনজোৰা কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা নগাঁও আৰক্ষী নিৰেশৰ প্ৰেক্ষাগৃহত এক সমূহীয়া যোগাসন অনুষ্ঠিত হয়। কাৰ্যসূচীত নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলে, অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰা, উপ-আৰক্ষী অধীক্ষক ত্ৰিদীপ কুম্বাং আদিকে ধৰি আৰক্ষী বিষয়াসকলে অংশগ্ৰহণ কৰে। প্ৰায় শতাধিক জোৱানে নগাঁও চহৰত এই উপলক্ষে চাইকেল সমদল উলিয়ায়। বিয়লি নগাঁৱৰ পূৰ্বৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ নেতৃত্বত অহা 'ৰাইড অৱ প্ৰাইড' ৰেলীক নগাঁও আৰক্ষীয়ে আদৰণি জনায়। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

পুৰণা পেঞ্চনৰ দাবীত পুৰণি ৰাষ্ট্ৰীয় সংগ্ৰাম সমিতিৰ গুৱাহাটী জিলা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ৮ মে' ঃ পুৰণি পেঞ্চন আঁচনি ৰাষ্ট্ৰীয় সংগ্ৰাম সমিতিৰ গুৱাহাটী জিলা গঠনৰ উদ্দেশ্যে কালি এখন সভা অনুষ্ঠিত হয়। সভাত পুৰণি পেঞ্চন আঁচনি ৰাষ্ট্